# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় কেবিনেটে নগৰীয়া আৱাস যোজনাৰ দ্বিতীয় পৰ্যায়ত অনুমোদন জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ ৱায়নাডত সাহায্য আৰু পুনৰ সংস্থাপনৰ প্ৰয়াসৰ বুজ ল'ব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে টিমোৰ লেষ্টৰ ৰাজধানী ডিলিত উপস্থিত হৈছে।

৪। সীমান্ত সুৰক্ষা বাহিনীয়ে বাংলাদেশ বৰ্ডাৰ গাৰ্ডৰ সহায়ত কালি পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ ভাৰত-বাংলাদশ সীমান্তত অনুপ্ৰৱেশৰ প্ৰচেষ্টা ব্যৰ্থ কৰে।

*আৰু*

৫। ভাৰতৰ অমন শ্বেহৰাৱটে পেৰিছ অলিম্পিকৰ পুৰুষৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদক দখল কৰিছে।

ooooo

কেন্দ্ৰীয় কেবিনেটে নগৰীয়া আৱাস যোজনাৰ দ্বিতীয় পৰ্যায়ত অনুমোদন জনাইছে। কেবিনেটে লগতে ২০২৪-২৫ বৰ্ষৰ পৰা ২০২৮-২৯ বিত্তীয় বৰ্ষৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী গ্ৰাম্য আৱাস যোজনাৰ ৰূপায়ণত অনুমোদন দিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে যোৱানিশা সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয় যে, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৩ কোটি নতুন বাসগৃহ নিৰ্মাণ কৰা হ'ব। ইয়াৰে ভিতৰত ২ কোটি বাসগৃহ গ্ৰাম্যঞ্চলত আৰু ১ কোটি বাসগৃহ নগৰ অঞ্চলত নিৰ্মাণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এই আঁচনিখনৰ বাবে বাজেটত ৩ লাখ ৬০ হাজাৰ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে। প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত নগৰ অঞ্চলত বাস কৰা দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ পৰিয়ালসমূহক বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু প্ৰাথমিক ঋণ প্ৰতিষ্ঠানৰ জৰিয়তে বাসগৃহ নিৰ্মাণ ক্ৰয় অথবা বহনসাধ্য দৰত বাসগৃহ ভাড়ালৈ লোৱাৰ বাবে এই সাহায্য প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে চৰকাৰে ২ লাখ ৩০ হাজাৰ কোটি টকাৰ সাহায্য প্ৰদান কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে, আঁচনিখনৰ অধীনত নগৰ অঞ্চলত কৰ্মৰত মহিলাৰ বাবে হোষ্টেল নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণী, নিম্ন আয় গোট, মধ্য আয় গোট শাখাত ২৫ লাখ টকাৰ গৃহ ঋণৰ ক্ষেত্ৰত ৪ শতাংশ সুদ ৰেহাই দিয়া হ'ব। চৰকাৰে লগতে কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ প্ৰস্তাৱিত নিকা উদ্ভিদ কাৰ্যসূচীতো অনুমোদন জনাইছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয় যে, এহেজাৰ ৭৬৫ কোটিৰো অধিক টকা বিনিয়োগেৰে ৰূপায়ণ কৰিবলগীয়া এই উদ্যম দেশৰ উদ্যান শস্য খণ্ডৰ বাবে অগ্ৰণী উদ্যম ৰূপে পৰিগণিত হ'ব আৰু ইয়াৰ জৰিয়তে উৎকৃষ্ঠতা আৰু সুস্থিৰতা নতুন মান গঢ়ি

তুলিব পৰা যাব। নিকা উদ্ভিদ কাৰ্যসূচীয়ে ভাইৰাছ মুক্ত আৰু উচ্চ মানৰ ৰোপণ সামগ্ৰী সুলভ কৰি তুলিব আৰু ইয়াৰ ফলত শস্যৰ উৎপাদন আৰু খেতিয়কসকলৰ আয়ৰ সুযোগ বৃদ্ধি পাব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। কেবিনেটে লগতে উন্নত জৈৱ প্ৰযুক্তি প্ৰকল্পৰ বাবে বিত্তীয় সাহায্য প্ৰদানৰ উদ্দেশ্যে সংশোধিত প্ৰধানমন্ত্ৰী জীৱন যোজানাত অনুমোদন জনায়। শ্ৰীবৈষ্ণৱে কয় যে, এই সংশোধনী যোজনাখনৰ সময়সীমা ২০২৮-২৯ বৰ্ষলৈ ৫ বছৰৰ বাবে বৃদ্ধি কৰা হৈছে। এই যোজনাৰ বাবে এহেজাৰ ৯৬৯ কোটি টকা বিনিয়োগ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীগৰাকীয়ে কয় যে, কালিৰ কেবিনেট বৈঠকত উচ্চতম ন্যায়ালয়ে অনুসূচীত জাতি আৰু অনুসূচিত জনজাতিৰ সংৰক্ষণ সন্দৰ্ভত অলপতে দিয়া ৰায়ৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। তেওঁ কয় যে, কেবিনেটে এন ডি এ চৰকাৰ বাবা চাহেব আম্বেদকাৰে প্ৰণয়ন কৰা সংবিধানৰ ব্যৱস্থাৱলীৰ প্ৰতি বদ্ধ পৰিকৰ বুলি মত প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয় যে, সংবিধানত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ক্ৰিমি লেয়াৰৰ কোনো ব্যৱস্থা নাই আৰু কেবিনেটে অনুসূচিত জাতি জনজাতিৰ বাবে সংৰক্ষণ ব্যৱস্থা সংবিধান অনুসৰি হোৱা বুলি মত পোষণ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাহায্য আৰু পুনৰ সংস্থাপনৰ প্ৰয়াসৰ বুজ লোৱাৰ উদ্দেশ্য আজি কেৰালাৰ ৱায়নাডলৈ যাব। প্ৰধানমন্ত্ৰীয়ে পোনে পোনে কুন্নুৰত উপস্থিত হ'ব আৰু তাৰপৰা বিমানেৰে ৱায়নাডৰ ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহ পৰিদৰ্শন কৰিব। শ্ৰীমোদীয়ে ভূমিস্ফলনত ক্ষতিগ্ৰস্ত এলেকাসমূহো ভ্ৰমণ কৰিব। তাত তেওঁক উদ্ধাৰ অভিযানৰ বিষয়ে অৱগত কৰোৱা হ'ব। প্ৰধানমন্ত্ৰী মোদী পুনৰ সংস্থাপনৰ কাম-কাজৰ তদাৰক কৰাৰ উদ্দেশ্যে আশ্ৰয় শিবিৰো পৰিদৰ্শন কৰিব। শ্ৰীমোদীয়ে লগতে চিকিৎসালয়লৈ গৈ ভূমিস্ফলনৰ ঘটনাত বলি হোৱা হোৱা লোকসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত শ্ৰীমোদীৰ ভূমিস্ফলনৰ ঘটনা আৰু উদ্ধাৰ প্ৰচেষ্টাৰ বিস্তৃত তথ্য প্ৰদান কৰা হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে টিমোৰ লেষ্টৰ ৰাজধানী ডিলিত উপস্থিত হৈছে। ডিলিৰ নিকোলাউ ল'বাটো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ সময়ত দেশখনৰ ৰাষ্ট্ৰপতি যোচ ৰামোছ হৰ্টাই তেওঁক আদৰণি জনায়। ভ্ৰমণ কালত ৰাষ্ট্ৰপতি মুৰ্মুৱে টিমোৰ লেষ্টৰ শীৰ্ষ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব আৰু এটা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত দেশখনত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০

সীমান্ত সুৰক্ষা বাহিনীয়ে বাংলাদেশ ব'ৰ্ডাৰ গাৰ্ডৰ সহায়ত কালি পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ ভাৰত-বাংলাদশ সীমান্তত অনুপ্ৰৱেশৰ এটা প্ৰচেষ্টা ব্যৰ্থ কৰে। সীমান্ত সুৰক্ষা বাহিনীৰ মুখপাত্ৰই প্ৰকাশ কৰা মতে, পশ্চিমবংগৰ কোচবিহাৰৰ ভাৰত-বাংলাদেশ সীমান্তত ভাৰতত শৰণ লোৱাৰ উদ্দেশ্যে প্ৰায় এহেজাৰ বাংলাদেশী নাগৰিক আন্তঃৰাষ্ট্ৰীয় সীমান্ত অভিমুখে আহিবলৈ ধৰাত বাহিনীটোৰ জোৱানসকল অন্য ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়। মুখপাত্ৰগৰাকীয়ে কয় যে, সীমান্ত অভিমুখী লোকসকলৰ সৈতে সংঘৰ্ষৰ সূত্ৰপাত হোৱাত সীমান্ত সুৰক্ষা বাহিনীয়ে বাংলাদেশী নাগৰিকসকলক ঘূৰাই লোৱাৰ বাবে ততালিকে বাংলাদেশ ব'ৰ্ডাৰ গাৰ্ডৰ সৈতে যোগাযোগ কৰে। যাতে পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হোৱাৰ পূৰ্বে নিয়ন্ত্ৰণ কৰিব পৰা যায়। বাংলাদেশৰ শেহতীয়া ঘটনা ক্ৰমৰ পৰিপ্ৰেক্ষিতত ভাৰত-বাংলাদেশ সীমান্তত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। সীমান্ত সুৰক্ষা বাহিনী,

উপকূলৰক্ষী বাহিনী আৰু উপকূল আৰক্ষীসহ বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্যিক সুৰক্ষা সংস্থাই পশ্চিমবংগৰ উত্তৰ ২৪ পৰগানা আৰু দক্ষিণ ২৪ পৰগানা জিলাত অৱস্থিত সুন্দৰবন এলেকাত বাংলাদেশৰ সৈতে থকা সামুদ্ৰিক সীমান্তত পহৰা তীব্ৰতৰ কৰি তুলিছে।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কৈছে যে পৰস্পৰৰ কল্যাণ আৰু আগ্ৰহৰ বাবে একেলগে কাম কৰাৰ গভীৰ ইচ্ছাৰ ওপৰত ভিত্তি কৰি ভাৰত মালদ্বীপৰ অংশীদাৰিত্ব গঢ় লৈ উঠিছে। মালেত হোৱা বৈঠকৰ অন্তত মালদ্বীপৰ সমকক্ষ মুছা জমিৰৰ সৈতে সংবাদমেল সম্বোধন কৰি ড° জয়শংকৰে কয় যে দ্বীপপুঞ্জ ৰাষ্ট্ৰখন ভাৰতৰ চুবুৰী প্ৰথম নীতিৰ অন্যতম শিলাস্তম্ভ। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে ড° জয়শংকৰে কয় যে তেওঁ মালদ্বীপৰ সমকক্ষগৰাকীৰ সৈতে উৎপাদনশীল আলোচনাত মিলিত হয়। তেওঁ কয় যে, বৈঠকত অংশীদাৰিত্ব বৃদ্ধি, সামৰ্থ্য বিকাশ, দ্বিপাক্ষিক আৰু আঞ্চলিক নিৰাপত্তা, বাণিজ্য আৰু ডিজিটেল সহযোগিতা আদি বিষয় সামৰি লোৱা হয়। দুয়োগৰাকী নেতাই যৌথভাৱে মানসিক স্বাস্থ্য, শিশুৰ চিকিৎসা আৰু বিশেষ শিক্ষাৰ ক্ষেত্ৰত ছটা উচ্চ প্ৰভাৱসম্পন্ন সমুহীয়া উন্নয়ন প্ৰকল্প উদ্বোধন কৰে। দ্বীপ ৰাষ্ট্ৰখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ স্বাৰ্থত বিদেশ মন্ত্ৰী ড° এচ জয়শংকৰ তিনিদিনীয়া কাৰ্যসূচীৰে কালি সন্ধিয়া মালদ্বীপত উপস্থিত হৈছে।

০০০০০

ব্ৰাজিলৰ চাও পাওলোত কালি নিশা এখন যাত্ৰীবাহী বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত যাত্ৰীসহ ৬১গৰাকী লোকৰ মৃত্যু হয়। বিষয়াসকলে জনোৱা মতে, দূৰ্ঘটনাৰ ফলত স্থানীয় কনড'মিনিয়াম কমপ্লেক্সৰ এটা আৱাস ক্ষতিগ্ৰস্ত হৈছে। অৱশ্যে কোনো বাসিন্দা হতাহত হোৱা নাই। ব্ৰাজিলৰ আঞ্চলিক বিমান সংস্থাৰ তথ্য অনুসৰি বিমানখনত ৫৭ জন যাত্ৰী আৰু চাৰিজন ক্ৰু মেম্বাৰ আছিল। দুটা ইঞ্জিনযুক্ত বিমানখন পাৰানা ৰাজ্যৰ কাস্কাভেলৰ পৰা চাও পাওলো আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ অভিমুখে ৰাওনা হৈছিল।

০০০০০

ভাৰতৰ অমন শ্বেহৰাৱটে সুন্দৰ প্ৰদৰ্শনেৰে পেৰিছ্ অলিম্পিকৰ পুৰুষৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদক দখল কৰিছে। শ্বেহৰাৱটে কালি ব্ৰঞ্জৰ পদকৰ যুঁজত পুৰেৰ্টো ৰিকোৰ ডেৰিয়ন ক্ৰুজক ১৩-৫ ফলাফলত পৰাভূত কৰে।  এইবাৰৰ অলিম্পিকত এয়া ভাৰতৰ ষষ্ঠটো আৰু মল্লযুদ্ধত প্ৰথমটো পদক। অমনে এই জয়েৰে ২০০৮ চনৰে পৰা অলিম্পিকৰ মল্লযুদ্ধত ভাৰতৰ পদক জয়ৰ ধাৰা অক্ষুন্ন ৰখাত সহায় কৰিলে। অমন এই জয়ৰ সুবাদত পি বি সিন্ধুক চেৰ পেলাই অলিম্পিকৰ ইতিহাসত পদক জয় কৰা দেশৰ কনিষ্ঠতম খেলুৱৈৰূপে পৰিগণিত হৈছে।

ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাবে শ্বেহৰাৱটক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যম যোগে কৈছে যে, যুৱ মল্লযোদ্ধাগৰাকীয়ে খেলুৱৈ জীৱনৰ প্ৰথম অলিম্পিকতে পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে, খেলুৱৈগৰাকীৰ ভৱিষ্যৎ যথেষ্ট উজ্জ্বল আৰু তেওঁ দেশৰ হকে অনেক পদক অৰ্জন কৰিব।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয় যে, অমনে নিজৰ নিষ্ঠা আৰু দৃঢ়তাৰে দেশক গৌৰৱান্বিত কৰিছে। উপ ৰাষ্ট্ৰপতিয়েঁ ভাৰতীয় মল্লযোদ্ধাগৰাকীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ বাৰ্তাত কয় যে, অমন শ্বেহৰাৱটৰ প্ৰয়াসৰ পৰা তেওঁৰ নিষ্ঠা আৰু দৃঢ়তা পৰিস্ফুট হৈ পৰিছে। সমগ্ৰ দেশে খেলুৱৈগৰাকীৰ সাফল্য উদযাপন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ইপিনে ভাৰতৰ অন্তিমগৰাকী প্ৰতিদ্বন্দ্বী ৰিতিকা হুদাই আজি মহিলাৰ মল্লযুদ্ধৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত অভিযান আৰম্ভ কৰিব। ২২ বছৰীয়া খেলুৱৈগৰাকী প্ৰথম ৰাউণ্ডত হাংগেৰীৰ বৰ্নাডেট নেগীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। একেদৰে  অদিতী, অশোক আৰু দীক্ষা দাগৰে আজি দুপৰীয়া চাৰে ১২ বজাত গল্ফৰ নিজ নিজ শিতানৰ অন্তিম ৰাউণ্ডত ভাগ ল'ব।

ooooo

**সমাপ্ত**